# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহাৱসান ঘটা সব্যসাচী শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবছৰে আজিৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হয়। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হয়। এই অনুষ্ঠানতে ৰাজ্য চৰকাৰে ইতিমধ্যে ঘোষণা কৰা ১১ গৰাকী শিল্পীক শিল্পী পেন্সন প্ৰদান কৰা হয়।

অনুষ্ঠানত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা আৰু বিধায়ক বিশ্বজিৎ ফুকনে ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত চলচ্চিত্ৰ ইতিহাসবিদ পৰিচালক পাৰ্থজিৎ বৰুৱা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে।

শোণিতপুৰ জিলাৰ তেজপুৰৰ কমলা নগৰৰ শিল্পীগৰাকীৰ সমাধিস্থলী আৰু ৰূপকোঁৱৰৰ পৈত্ৰিক গৃহ জ্যোতি ভাৰতীত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱস উদযাপন কৰে।

**গোৱালপাৰা** জিলাৰ বিভিন্ন প্ৰান্ততো আজি শিল্পী দিৱস পালন কৰা হয়। গোৱালপাৰা সাহিত্য সভা আৰু শাখা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস অনুষ্ঠিত হয়। **বৰপেটা** জিলাৰ কলগাছিয়া, সৰভোগকে ধৰি বিভিন্ন স্থানত শিল্পী দিৱস পালন কৰা হয়। বৰপেটা জিলা সাহিত্য সভাই উদযাপন কৰা শিল্পী দিৱসত যশস্বী শিল্পী উপেন দাস আৰু শোভা বায়নক সম্বৰ্ধনা জনোৱা হয়।

ooooo

অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্ত্তী সভাপতি হিচাপে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ তথা কেন্দ্ৰীয় বিজেপিৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিলীপ শইকীয়াক নিৰ্বাচিত কৰা হৈছে। কেন্দ্ৰীয় নিৰ্বাচনী পৰ্যৱেক্ষক গজেন্দ্ৰ সিং শেখাৱটে আজি দলৰ ৰাজ্যিক সভাপতি হিচাপে তেওঁৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত নৱ নিৰ্বাচিত সভাপতি গৰাকীক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ বিদায়ী ৰাজ্যিক সভাপতি ভবেশ কলিতাকে ধৰি দলীয় নেতৃবৰ্গই অভিনন্দন জনায়।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি দ্বিতীয় দিনা বিনিময় প্ৰথা সম্পন্ন হয়। পাহাৰৰ পৰা নামি অহা মামা-মামীসকলে ভৈয়ামৰ লোকৰ সৈতে সামগ্ৰীৰ আদান প্ৰদান কৰে। বিনিময় প্ৰথাত অংশ লবলৈ জোনবিলৰ পাৰত পাহাৰ আৰু ভৈয়ামৰ সহস্ৰাধিক লোকৰ সমাগম হয়। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বিনিময় প্ৰথাৰ শুভাৰম্ভ কৰে। কাহিলী পুৱাৰে পৰা আয়োজিত বিনিময় প্ৰথাত সামগ্ৰীৰ আদান প্ৰদান কৰা হয়। জোনবিল মেলাৰ দ্বিতীয় দিনা সমুহীয়া মাছ ধৰা পৰ্বৰ লগতে কুকুৰা যুঁজ অনুষ্ঠিত হয়। জোনবিল মেলাৰ সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি আয়োজিত হোৱা কুকুৰা যুঁজ শতাধিক লোকে উপভোগ কৰে। ইপিনে, জোনবিলত সমুহীয়াকৈ মাছ ধৰা পৰম্পৰা অনুষ্ঠিত হয়।

০০০০০

ৰাজ্যৰ ১৪ খন জিলাৰ ১৫ হাজাৰ ৬৬৩ খন বিদ্যালয়ত আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হৈছে। দ্বিতীয় পৰ্যায়ত ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হৈছে। গুণোৎসৱৰ আজি স্ব-মূল্যায়ন অনুষ্ঠিত হয়। ২০ জানুৱাৰীত মন্ত্ৰী, সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী বিষয়া, কাৰ্যবাহী সদস্যৰ লগতে ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বিষয়ৰ দ্বাৰা বহিঃমূল্যায়ন কৰা হ'ব। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজী, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং জিলাত অনুষ্ঠিত হৈছে। ইপিনে, এইবাৰৰ গুণোৎসৱত শিক্ষাৰ্থীৰ ইউনিফৰ্মৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে গুণোৎসৱত ইউনিফৰ্মৰ মূল্যাংকন কৰা হ'ব। শিক্ষকৰ বদলিকৰণ সন্দৰ্ভতো তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে দ্বিতীয় পৰ্যায়ৰ শিক্ষকৰ বদলিকৰণ গ্ৰীষ্মবন্ধৰ পূৰ্বে কৰা হ'ব। ইয়াৰ বাবে দুই এদিনৰ ভিতৰত পোৰ্টেল মুকলি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। প্ৰথম পৰ্যায়ত পোৰ্টেলৰ জৰিয়তে আবেদন কৰা ৩৬ হাজাৰ শিক্ষকৰ বদলি প্ৰক্ৰিয়া সম্পন্ন হৈছে।

০০০০০

ৰাজ্যত পৰহিলৈ হ'বলগীয়া চৰকাৰী আৰু প্ৰাদেশীকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা, টেটৰ পৰিপ্ৰেক্ষিতত পৰীক্ষাৰ সময়ছোৱাত শান্তিশৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন জিলাত কেতবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

সমাপ্ত